# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাট ভ্ৰমণৰ অংশ হিচাপে জামনগৰত থকা বনতাৰা নামৰ জীৱজন্তু উদ্ধাৰ আৰু পুনৰসংস্থাপন কেন্দ্ৰ পৰিদৰ্শন কৰে।

২। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, বিকশিত ভাৰত কেৱল মাত্ৰ এতিয়া সপোন নহয়, এয়া হৈছে আমাৰ অগ্ৰাধিকাৰ।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফায়াৰ ফ্লাই নামৰ মহাকাশ সংস্থাটোৰ ব্লু ঘোষ্ট নামৰ মহাকাশ যানখনে চন্দ্ৰপৃষ্ঠৰ মেৰ ক্ৰিছিয়ামৰ সমীপত প্ৰথমবাৰৰ বাবে সফলতাৰে অৱতৰণ কৰে।

৪। উত্তৰাখণ্ডৰ চামলি জিলাৰ বদ্ৰীনাথ মন্দিৰৰ সমীপৰ মানা গাঁৱত ২৮ ফেব্ৰুৱাৰীত হিমস্খলনৰ ফলত আৱদ্ধ হৈ থকা আৰু এগৰাকী লোকৰ মৃতদেহ আজি উদ্ধাৰ হোৱাৰ পাছত মৃত লোকৰ সংখ্যা ৮ লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ডুবাইত অনুষ্ঠিত লীগৰ অন্তিমখন খেলত ভাৰতে জয়ৰ বাবে নিউজিলেণ্ডক ২৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাট ভ্ৰমণৰ অংশ হিচাপে জামনগৰত থকা বনতাৰা নামৰ জীৱজন্তু উদ্ধাৰ আৰু পুনৰসংস্থাপন কেন্দ্ৰ পৰিদৰ্শন কৰে। জিলাখনৰ ৩ হাজাৰ একৰ ভূমিত স্থাপন কৰা বনতাৰা হৈছে জীৱজন্তু উদ্ধাৰ, সংৰক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ। শ্ৰীমোদীয়ে তিনিদিনীয়া গুজৰাট ভ্ৰমণৰ উদ্দেশ্যে কালি সন্ধিয়া জামনগৰত উপস্থিত হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি সোমনাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়। সোমনাথ মন্দিৰ দৰ্শনৰ পাছত শ্ৰীমোদী গীৰ ৰাষ্ট্ৰীয় উদ্যানৰ মুখ্য কাৰ্যালয় ছাচনত উপস্থিত হৈ শ্ৰীসোমনাথ ন্যাসৰ এখন বৈঠকত অধ্যক্ষতা কৰিব। এই ন্যাসে বিশ্ববিখ্যাত সোমনাথ মন্দিৰ পৰিচালনা কৰি আহিছে।

কাইলৈ শ্ৰীমোদীয়ে এছীয় সিংহৰ শেষ বিচৰণ ভূমি গীৰ ৰাষ্ট্ৰীয় উদ্যানত চাফাৰী কৰিব। শ্ৰীমোদীয়ে ছাচনত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সপ্তম বৈঠকত অধ্যক্ষতা কৰি বন্যপ্ৰাণী সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিষয়সমূহ আলোচনা কৰিব। এই পৰিষদে প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ বন্যপ্ৰাণী আৰু বনাঞ্চলৰ সংৰক্ষণ আৰু উন্নয়নৰ হকে কাম কৰি আহিছে।

০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, বিকশিত ভাৰত  কেৱল মাত্ৰ এতিয়া সপোন নহয়, এয়া হৈছে আমাৰ অগ্ৰাধিকাৰ।  তেওঁ কয়, যে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কেৰালাৰ তিৰুৱনন্তপুৰমত আজি ভাৰতীয় বিচাৰকেন্দ্ৰমে আয়োজন কৰা চতুৰ্থ পি পৰমেশ্বৰণ স্মাৰক বক্তৃতা অনুষ্ঠানত তেওঁ এইকথা প্ৰকাশ কৰে। শ্ৰীধনখড়ে কয়, যে দেশত বৰ্তমান ৰূপায়ণ হৈ থকা উন্নয়নমূলক কাম-কাজসমূহে আমাক গোলকীয় পৰ্যায়ত গৌৰৱান্বিত কৰিছে। তেওঁ লগতে কয়, যে গাওঁ পৰ্যায়তো সুসংগঠিত ভাৰত হৈছে বিশ্বৰ একমাত্ৰ গণতান্ত্ৰিক দেশ। উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বৰ্তমান বিশ্বৰ পঞ্চম অৰ্থব্যৱস্থাৰ দেশ ভাৰত অচিৰেই চতুৰ্থ অৰ্থব্যৱস্থাৰ দেশ হিচাপে পৰিগণিত হ'ব।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফায়াৰ ফ্লাই নামৰ মহাকাশ সংস্থাটোৰ  ব্লু ঘোষ্ট নামৰ মহাকাশ যানখনে আজি চন্দ্ৰপৃষ্ঠৰ মেৰ ক্ৰিছিয়ামৰ সমীপত প্ৰথমবাৰৰ বাবে সফলতাৰে অৱতৰণ কৰে। চন্দ্ৰপৃষ্ঠত সফলতাৰে মহাকাশ যান অৱতৰণ কৰা এয়া হৈছে দ্বিতীয়টো ব্যক্তিগত  অভিযান। মানৱ বিহীন এই মহাকাশ যানখনে বিভিন্ন বৈজ্ঞানিক পৰীক্ষণৰ ১০ টা সজুলি চন্দ্ৰপৃষ্ঠলৈ কঢ়িয়াই নিছে। পৃথিৱীৰ পৰা উৎক্ষেপন কৰাৰ পাছত এই মহাকাশ যানখনে ২ দশমিক ৮ মিলিয়ন মাইলছ্ অতিক্ৰম কৰি চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰে। সৌৰ পেনেল সংযুক্ত এই ব্লু ঘোষ্ট নামৰ মহাকাশযানখনে চন্দ্ৰপৃষ্ঠত ১৪ দিন পৰীক্ষা চলাব। ২০২৭ চনৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰই  চন্দ্ৰপৃষ্ঠলৈ মহাকাশচাৰীক প্ৰেৰণ কৰাৰ পদক্ষেপৰ অংশ হিচাপে এই অভিযান চলোৱা হৈছে। চন্দ্ৰপৃষ্ঠত এতিয়ালৈকে ৫ খন ৰাষ্ট্ৰ ক্ৰমে- ৰাছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, ভাৰত আৰু জাপানৰ মহাকাশযানে  মসৃনভাৱে সফলতাৰে অৱতৰণ কৰিছে।

০০০০

কয়লা মন্ত্ৰালয়ে গুজৰাটৰ গান্ধীনগৰত কাইলৈ ব্যৱসায়িক ভিত্তিক কয়লা খনি আৱণ্টন আৰু ইয়াত বিনিয়োগৰ সুবিধাৰ সন্দৰ্ভত এটা ৰোড শ্ব'ৰ আয়োজন কৰিছে। ব্যক্তিগত বিনিয়োগকাৰীক আকৰ্ষণ আৰু বাণিজ্যিক কয়লা খনিৰ প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰালয়ে এই ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতৰ কয়লা খণ্ডত ব্যক্তিগত খণ্ডৰ অংশীদাৰীত্ব বৃদ্ধি কৰা, ইয়াৰ লগত জড়িত উদ্যোগিক প্ৰতিষ্ঠান আৰু এই ক্ষেত্ৰত সম্ভাৱনা থকা বিনিয়োগকাৰী আৰু নীতি নিৰ্ধাৰণকাৰীসকলক একেলগ কৰাৰ উদ্দেশ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কয়লা আৰু খনি দপ্তৰৰ ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবে এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তেঁও লগতে কয়লা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ৰূপিন্দৰ ব্ৰাৰৰ লগতে মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। ব্যৱসায়িক কয়লাখনিৰ সম্প্ৰসাৰণৰ উদ্দেশ্যেৰে ইয়াৰ লগত জড়িত পক্ষসমূহক জড়িত কৰাৰ উদ্দেশ্যৰে মন্ত্ৰালয়ে দেশৰ বিভিন্ন ঠাইত ৰোড শ্ব' আয়োজন কৰিছে। মন্ত্ৰালয়ে এই ৰোড শ্ব'ৰ দ্বাৰা কয়লাৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন পদক্ষেপসমূহ অৱগত কৰা, এই ক্ষেত্ৰত থকা নীতিসমূহক সমৰ্থন জনোৱা আৰু আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াত অংশগ্ৰহণকাৰীসকলে কয়লা খণ্ডৰ পৰ্যাপ্ততা, বিনিয়োগৰ সুবিধাসমূহ আৰু কয়লা উদ্যোগত ব্যৱসায় সহজসাধ্য কৰি তোলাৰ সন্দৰ্ভত সবিশেষ তথ্য লাভ কৰে। কয়লা উৎপাদনৰ লগত জড়িত বিশেষজ্ঞসকলে কয়লা উৎপাদনৰ অত্যাধুনিক প্ৰযুক্তি, বহনক্ষম পদক্ষেপসমূহ আৰু এটা স্বচ্ছ নীতি প্ৰস্তুত কৰি প্ৰতিযোগিতামূলক বজাৰ দখল কৰাৰ সন্দৰ্ভত সবিশেষ অৱগত কৰিব।

০০০০

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৱে আজি কৈছে যে, জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে বিমান বন্দৰসমূহ আধুনিক ৰূপত বিকশাই তুলিছে। মন্ত্ৰীগৰাকীয়ে আজি হায়দৰাবাদত সংবাদ মাধ্যমৰ আগত কয়, যে বৈপ্লৱিক উড়ান আঁচনিৰ জৰিয়তে দেশৰ দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ মহানগৰসমূহত বিমান বন্দৰ নিৰ্মাণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰালয়ে তেলেংগানাৰ কাঠগুদাম জিলাত আন এটা বিমানবন্দৰ  বিকশাই তুলিছে। তেওঁ পৰ্যটন, শিক্ষা, উৎপাদন খণ্ডৰ লেখিয়াকৈ অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়েও দেশত অত্যাধুনিকভাৱে বিকশাই তোলা বিমানবন্দসমূহে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি মন্তব্য কৰে। তেওঁ লগতে তেলেংগানাক মহাকাশৰ উৎপাদন হাব হিচাপে গঢ়ি তোলাৰ কথাও উল্লেখ কৰে।

০০০০

অৰ্থনীতিবিদ সুৰজিত এছ ভাল্লা আৰু কৰণ ভচিনে প্ৰকাশ কৰি উলিওৱা এখন গৱেষণা পত্ৰ মতে যোৱা দশকতকৈ দেশত দৰিদ্ৰতাৰ সংখ্যা যথেষ্ট হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ ঘৰুৱা ব্যয়ৰ তথ্যৰ ভিত্তিত অৰ্থনীতিবিদ দুগৰাকীয়ে এই গৱেষণা পত্ৰখন প্ৰকাশ কৰি উলিয়াইছে। ভাৰতত বৰ্তমান সময়ত অতি দৰিদ্ৰতাৰ দৰে পৰিস্থিতি নাই বুলিও দাবী কৰাৰ লগতে ২০১১-১২ বৰ্ষৰ পৰা ২০২৩-২৪ বৰ্ষলৈ এই বাৰ বছৰত ভাৰতত অসমতা যথেষ্ট হ্ৰাস পাইছে বুলিও গৱেষণা পত্ৰখনে প্ৰকাশ কৰিছে।

০০০০

উত্তৰাখণ্ডৰ চামলি জিলাৰ বদ্ৰীনাথ মন্দিৰৰ সমীপৰ মানা গাঁৱত ২৮ ফেব্ৰুৱাৰীত হিমস্খলনৰ ফলত আৱদ্ধ হৈ থকা আৰু এগৰাকী লোকৰ মৃতদেহ আজি উদ্ধাৰ হোৱাৰ পাছত মৃত লোকৰ সংখ্যা ৮ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে ডেৰাডুনত জানিবলৈ দিয়া অনুসৰি জিলা প্ৰশাসনৰ লগতে সেনাবাহিনী, আই টি বি পি, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে উদ্ধাৰ অভিযান চলায়। ৫৪ গৰাকী শ্ৰমিকে পথৰ পৰা বৰফ আঁতৰোৱাৰ কামত নিয়োজিত হৈ থকাৰ সময়ত হঠাতে হোৱা হিমস্খলনৰ ফলত তেঁওলোক আৱদ্ধ হৈ পৰিছিল। ইতিমধ্যে ৪৬ গৰাকী শ্ৰমিকক জীৱন্তে উদ্ধাৰ কৰা হয়।

০০০০

এংগোলাত কলেৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা দুশৰো অধিক হৈছে। এংগোলাৰ স্বাস্থ্য মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি জানুৱাৰী মাহৰ পৰা দেশখনৰ চাৰে পাচ হাজাৰৰো অধিক লোক কলেৰাত আক্ৰান্ত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই ইয়াক গোলকীয় স্বাস্থ্যৰ প্ৰতি ভাবুকি বুলি প্ৰকাশ কৰিছে।

০০০০

মানৱ অধিকাৰ সংস্থাৰ এটা গোট আৰু শৰনাৰ্থীৰ হৈ ওকালতি কৰা এটা গোটে পাকিস্তানক তেওঁলোকৰ নিৰাপত্তা বাহিনীৰ কৰায়ত্ত কৰি ৰখা আফগানিস্তানৰ নাগৰিকসকলক মুকলি কৰি দিবলৈ আহ্বান জনাইছে। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি এই গোটসমূহে পাকিস্তানৰ এনে ধৰণৰ কাৰ্যই আন্তৰাষ্ট্ৰীয় আইন উলংঘা আৰু শৰনাৰ্থীৰ সুৰক্ষাৰ ক্ষেত্ৰত থকা দায়বদ্ধতাক পাকিস্তানে মানি চলা নাই বুলি অভিহিত কৰিছে। পাকিস্তানে অহা ৩১ মাৰ্চৰ ভিতৰত আফগানিস্তানৰ শৰনাৰ্থীসকলক স্বেচ্ছাই পাকিস্তান এৰি যাবলৈ নিৰ্দেশ দিয়া অথবা এই নিৰ্দেশ অমান্য কৰা

শৰনাৰ্থীসকলক বল প্ৰয়োগ কৰি আঁতৰাই পঠাব বুলি কৰা ঘোষণাৰ পাছত মানৱ অধিকাৰ সংস্থাসমূহে এই আহ্বান জনায়।

০০০০

পাঞ্জাৱ আৰক্ষীয়ে আজি জলন্ধৰত সংঘটিত হোৱা এটা এনকাউণ্টাৰৰ ঘটনাত জড়িত দুজন দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিছে। যোৱা বছৰ এপ্ৰিলত জম্মু-কাশ্মীৰ আৰক্ষীৰ উপ পৰিদৰ্শক দীপক শৰ্মাৰ হত্যাৰ পিছৰ পৰাই দুৰ্বৃত্ত কেইজনক আৰক্ষীয়ে বিচাৰি আছিল। ৰাজ্যখনৰ আৰক্ষী সঞ্চালক প্ৰধান গৌৰৱ যাদৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা জানিবলৈ দিছে। তেঁওলোকৰ পৰা ভালেমান অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হৈছে।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি আজি ডুবাইত অনুষ্ঠিত লীগৰ অন্তিমখন খেলত ভাৰতে জয়ৰ বাবে নিউজিলেণ্ডক ২৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা ভাৰতীয় দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪৯ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত ভাৰতে নিয়মীয়া ব্যৱধানত উইকেট হেৰুৱালেও শ্ৰেয়াছ আয়াৰ, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলৰ দৃঢ়তাৰে প্ৰত্যাহ্বানজনক স্কৰ কৰিবলৈ সমৰ্থ হয়। শ্ৰেয়াছ আয়াৰে ৯৮টা বলত ৭৯, হাৰ্দিক পাণ্ডিয়াই ৪৫টা বলত ৪৫ ৰাণ আৰু অক্ষৰ পেটেলে ৪২ ৰাণৰ বৰঙণি আগবঢ়ায়। অধিনায়ক ৰোহিত শৰ্মা, শুভমন গিল আৰু আজি ৩০০ সংখ্যক এদিনীয়া আন্তৰ্জাতিকত অৱতীৰ্ণ হোৱা বিৰাট কোহলি ব্যৰ্থ হয়। নিউজিলেণ্ডৰ বেগী বলাৰ মেট হেনৰীয়ে সৰ্বাধিক ৫টা উইকেট দখল কৰে।

নিউজিলেণ্ডে বাতৰি যুগুতোৱাৰ পৰলৈকে ৯ অভাৰত ১ টা উইকেট হেৰুৱাই ৩৭ ৰাণ কৰি খেলি আছে।

০০০০

সমাপ্ত